ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী
BHATTADEV UNIVERSITY, BAJALI

*A Public State University established by upgrading Bajali College under Assam Act No. XXXVI of 2017*

**Website:** www.bhattadevuniversity.ac.in

## PRESS RELEASE

**"গৱেষণা কোনো আলংকাৰিক ডিগ্ৰী নহয়, সততা আৰু একাগ্ৰতাৰে গৱেষণা কৰ্মত লিপ্ত হোৱা উচিত" ভট্টদেৱ বিশ্ববিদ্যালয়ত প্ৰফেচৰ ৰমেশ চন্দ্ৰ ডেকা**

২৩ নৱেম্বৰ, বজালী : ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ২০২৪ বৰ্ষৰ গৱেষক ছাত্ৰছাত্ৰী সকলৰ উদ্দেশ্যে যোৱা ২২ নৱেম্বৰত এক আবেশমূলক অনুষ্ঠান( induction program) অনুষ্ঠিত কৰা হয়। সেই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচৰ ৰমেশ চন্দ্ৰ ডেকাই গৱেষক ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি কয় যে, বৰ্তমান সময়ৰ গৱেষণাৰ বিষয় বস্তু সমূহত স্থানীয় সমলসমূহৰ অন্তৰ্ভুক্তিৰ প্ৰয়োজনীয়তা আছে। ৰসাল উপস্থাপনেৰে প্ৰফেচৰ ৰমেশ চন্দ্ৰ ডেকাই গৱেষণা কৰ্ম সন্দৰ্ভত মূল বক্তৃতা আগবঢ়ায়। উক্ত অনুষ্ঠানৰ শুভাৰম্ভ কৰে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচৰ ধনপতি ডেকাই।অনুষ্ঠানত উপস্থিত থাকি তেজপুৰ বিশ্ববিদ্যালয়ৰ ডেপুটি লাইব্ৰেৰীয়ান গৌতম শৰ্মাই গৱেষণাৰ তথ্য সংগ্ৰহত সহায়ক বিভিন্ন উৎসৰ তথ্য দিয়ে৷ লগতে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ডঃ সুভাষ চন্দ্ৰ দাসে বিশ্ববিদ্যালয়ৰ গৱেষণা কৰ্মৰ খতিয়ান দাঙি ধৰে৷

বিশ্ববিদ্যালয়ৰ সমাজ বিজ্ঞান আৰু মানৱিক শাখাৰ সহযোগী ডীন ডঃ বিনীতা বৰা দেৱচৌধুৰী,প্ৰাকৃতিক আৰু গাণিতিক বিজ্ঞান শাখাৰ ডীন ডঃ গৌতম কলিতা,গৱেষণা প্ৰকল্পৰ সহযোগী ডীন ডঃ জগন্নাথ ভূঞা আৰু ছাত্ৰ কল্যাণৰ সহযোগী ডীন ডঃ যাদৱ চন্দ্ৰ বসুমতাৰীয়ে গৱেষণা সম্পৰ্কে বক্তব্য আগবঢ়ায়৷ গৱেষিকা ছাত্ৰী শৰ্মিষ্ঠা দাসে আঁত ধৰা অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়ায় ৰসায়ন বিভাগৰ সহযোগী অধ্যাপক ডঃ দীপজ্যোতি কলিতাই৷